O/C

অসম চৰকাৰ

# উপায়ুক্তৰ কাৰ্য্যালয়,

ওদালগুৰি,

অসম।

## ওদালগুৰিত ৰাঙজালী বৈসাগু উৎসৱ পালন

**ওদালগুৰি ১৯ এপ্ৰিল, ২০১২।** যোৱা ১৯ এপ্ৰিল তাৰিখে ওদালগুৰি মহাবিদ্যালয় প্ৰাঙ্গঁণত চাৰিদিনীয়া কাৰ্য্যসূচীৰে ৰাঙজালী বৈসাগু উৎ সৱ পালান কৰা হয়। উৎ সৱৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতা, খেলা-ধুলা, স্থানীয় শিল্পী আৰু কলাকুশলী সকলৰ দ্বাৰা বিহুকুৰৱী, দলীয় নৃত্য আদিৰ প্ৰদৰ্শন কৰা হয়। অন্তিম দিনাৰ কাৰ্য্যসুচীত উদযাপন সমিতিৰ সভাপতি শ্ৰী ফতেন্দ্ৰ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে জিলা উপায়ুক্ত শ্ৰীথানেশ্বৰ মালাকাৰে। উদ্বোধনী ভাষণত উপায়ুক্ত গৰাকীয়ে বড়ো সংস্কৃতি অসমৰ এক বৰ্ণ্যাধ্য আৰু আপুৰুগীয়া সংস্কৃতি বুলি মন্তব্য কৰে। ৰঙ-বিৰিঙৰ পোছাকে বড়োসকলৰ কলা সুলভ দৃষ্টিভংগীৰ পৰিচায়ক বুলি মন্তব্য কৰে। সকলো সম্প্ৰদায় আৰু জনগোষ্ঠিৰ মাজত সমন্বয়ৰ সাকোঁ নিৰ্মান কৰিবলৈও তেখেঁতে সমূহ ৰাইজক আহ্বান জনায়। অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে কোকাৰাঝাৰ জিলাৰ DIET ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰী চাণক্য ব্ৰহ্মাই। ওদালগুৰি জিলা বড়ো সাহিত্য সভাৰ সভাপতি শ্ৰী নীলকান্ত গয়াৰী, ফাডাৰ দেবেন কছাৰী, ওদালগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লুকাচ (লিউক) দৈমাৰী প্ৰমুখ্যে বিভিন্ন গণ্যমান্য ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। এই উপলক্ষত প্ৰকাশিত ‘বৰদৈচিখলানী আগান’ নামৰ মুখপত্ৰখন উন্মোচন কৰে জিলা উপায়ুক্ত শ্ৰীথানেশ্বৰ মালাকাৰে। সন্ধিয়া অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানখন মুকলি কৰে কৰে জিলা আৰক্ষী অধীক্ষক শ্ৰীদেৱজিৎ দেউৰীয়ে।

স্বাক্ষৰ
জিলা তথ্য আৰু জনসংযোগ বিষয়া,
ওদালগুৰি

20/4/12